# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-08-2025 **Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## Headlines
-------------------

১। মেৰাপানী সীমান্তৰ ২ নম্বৰ নেঘেৰিবিলত কাইলৈৰ পৰা উচ্ছেদ অভিযান। ৰাজ্য চৰকাৰৰ উচ্ছেদ অভিযানলৈ নেছ'ৰ সমৰ্থন।

২। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত নিৰ্মীয়মান আন্তঃৰাষ্ট্ৰীয় টাৰ্মিনেল অহা নৱেম্বৰত মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। বিদেশী ন্যায়াধীকৰণত ৰুজু হৈ থকা ৬টা ধৰ্মাৱলম্বী লোকৰ বিৰুদ্ধে গোচৰ প্ৰত্যাহাৰ কৰিবলৈ ৰাজ্য চৰকাৰৰ নিৰ্দেশ জাৰী।

৪। উত্তৰ-পূৰ্বাঞ্চলত মুঠ ২৭৮ কিলোমিটাৰ ৰে'লপথ নিৰ্মাণৰ বাবে ৪১ হাজাৰ ৬৭৬ কোটি টকা ব্যয় কৰা হৈছে বুলি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ প্ৰকাশ। **আৰু**

৫। চিত্ৰশিল্পী ভাস্কৰজ্যোতি গগৈলৈ ৰাষ্ট্ৰীয় ললিত কলা এডাডেমী বঁটা।

oooooooo

গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগ কাইলৈ পুৱাৰে পৰা মেৰাপানী সীমান্তৰ ২ নম্বৰ নেঘেৰীবিলত উচ্ছেদ চলাব। আৰক্ষী, বন বিভাগৰ লোকে কালি অঞ্চলটোৰ পৰিস্থিতি নিৰীক্ষণ কৰে। কালি প্ৰশাসনৰ তৰফৰ পৰা ২ নম্বৰ নেঘেৰীবিল অঞ্চল খালী কৰাৰ বাবে অন্তিমবাৰৰ বাবে অবৈধ দখলকাৰীসকলক মাইকযোগে জাননী জাৰি কৰা হয়। উল্লেখযোগ্য যে, নেঘেৰীবিলত উচ্ছেদ হবলগীয়া ২০৫টা পৰিয়ালৰ ভিতৰত ৭৪টা পৰিয়ালৰ লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি মঙলবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে দৈয়াং বনাঞ্চলৰ নেঘেৰীবিলৰ ৫৯টা আৰু নামবৰ বনাঞ্চলত ১৫টা পৰিয়াললৈ সাময়িকভাৱে সকাহ দিয়ে আৰু পৰিয়ালকেইটাৰ বাবে উচ্ছেদৰ সয়সীমা ১৪ আগষ্টলৈ বৃদ্ধি কৰে।

ইপিনে, উত্তৰ-পূব ছাত্ৰ সংগঠন অৰ্থাৎ নেছৰে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যৰ পৰা অবৈধ বাংলাদেশী নাগৰিকক বহিষ্কাৰৰ দাবী জনোৱাৰ লগতে ৰাজ্য চৰকাৰৰ উচ্ছেদ অভিযানলৈ সমৰ্থন আগবঢ়াইছে। কালি গুৱাহাটীত অনুষ্ঠিত সংগঠনটোৰ কাৰ্যনিৰ্বাহক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনত জনসংখ্যা বৃদ্ধিৰ কাৰণ বিচাৰি উলিয়াবলৈ নেছৰে আটাইকেইখন ৰাজ্যৰ চৰকাৰৰ বিশেষ পৰ্যালোচনা সমিতি গঠন কৰিবলৈ দাবী জনাব। বৈঠকৰ পাছত হোৱা সংবাদমেলত নেছৰ উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই অসমৰ লগতে উত্তৰ-পূবৰ অন্যান্য ৰাজ্যত বনভূমিত উচ্ছেদ হ'ব লাগে বুলি উল্লেখ কৰি থলুৱা লোকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আহ্বান জনায়।

-বাইট-

oooooooo

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত নিৰ্মীয়মান আন্তঃৰাষ্ট্ৰীয় টাৰ্মিনেল অহা নৱেম্বৰত মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ভূটানৰ গেলেফু মাইণ্ডফুলনেছ ছিটিৰ এটা প্ৰতিনিধি দলৰ সৈতে কালি টাৰ্মিনেলটো পৰিদৰ্শন কৰাৰ পাছত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। বিমান বন্দৰৰ টাৰ্মিনেলটো উদ্বোধন কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আমন্ত্ৰণ জনোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ অসমীয়াৰ সংস্কৃতিৰ চানেকীৰে এই টাৰ্মিনেল নিৰ্মাণ কৰা হৈছে।

এই ভৱনটোৱে উত্তৰ-পূবাঞ্চলৰ যোগাযোগ ব্যৱস্থাত নতুন দিগন্তৰ সূচনা কৰাৰ লগতে প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰ সৈতে সংযোগ ব্যৱস্থাও শক্তিশালী কৰি তুলিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

*-বাইট-*

০০০০০০০০

ৰাজ্য চৰকাৰে বিদেশী ন্যায়াধীকৰণত ৰুজু হৈ থকা ৬টা ধৰ্মাৱলম্বী লোকৰ বিৰুদ্ধে গোচৰ প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দেশ জাৰী কৰিছে। এই অনুসৰি ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ পূৰ্বে অসমত প্ৰৱেশ কৰা হিন্দু, খ্ৰীষ্টান, বৌদ্ধ, শিখ, পাৰ্চী আৰু জৈন ধৰ্মাৱলম্বী লোকৰ গোচৰসমূহ প্ৰত্যাহাৰ কৰা হ'ব। দিছপুৰত যোৱা ১৭ জুলাইত অনুষ্ঠিত গৃহ আৰু ৰাজনৈতিক বিভাগৰ এখন বৈঠকত ৰাজ্যৰ ১০০ খন বিদেশী নায়াধীকৰণত ৰুজু হৈ থকা এই ৬টা ধৰ্মাৱলম্বী লোকসকলৰ গোচৰসমূহ প্ৰত্যাহাৰৰ সিদ্ধান্ত লোৱা হৈছিল। ৰাজ্য চৰকাৰে এই বিষয়টোৰ ক্ষেত্ৰত বিদেশী ন্যায়াধীকৰণৰসমূহৰ লগতে সকলো জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকলৈ জাননী জাৰি কৰিছে। এই জাননীত গোচৰসমূহ প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে বিদেশী ন্যায়াধীকৰণত ৰুজু হৈ থকা গোৰ্খা আৰু কোচ-ৰাজবংশীসকলৰ বিৰুদ্ধে গোচৰসমূহ প্ৰত্যাহাৰ কৰিবলৈও ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে।

০০০০০০০০

চলিত বৰ্ষৰ মাৰ্চ মাহ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলত মুঠ ২৭৮ কিল'মিটাৰ ৰে'লপথ নিৰ্মাণৰ বাবে ৪১ হাজাৰ ৬৭৬ কোটি টকা ব্যয় কৰা হৈছে। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি এটা লিখিত প্ৰত্যুত্তৰত এই কথা উল্লেখ কৰে। তেওঁ কয়, যে উত্তৰ-পূৰ্বাঞ্চলত ৰে'ল নেটৱৰ্কৰ লাইন ক্ষমতা বৃদ্ধিৰ বাবে মুঠ ৭৭৭ কিল'মিটাৰ দৈৰ্ঘ্যৰ ১২টা ৰে'ল প্ৰকল্পত অনুমোদন জনোৱা হৈছে। অনুমোদিত প্ৰকল্পসমূহৰ ভিতৰত বগীবিল দলং, আগৰতলা- ছাব্ৰুম নতুন লাইন আৰু লামডিং-হোজাই লাইন উল্লেখযোগ্য। বিগত তিনিটা বছৰত উত্তৰ-পূৰ্বাঞ্চলত মুঠ এহেজাৰ ৭৯০ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন ৰে'লপথে অনুমোদন লাভ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে ।

০০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে কালি অসমলৈ অহা ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ বিজয়া কিশোৰ ৰাহতকাৰে কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দিছপুৰৰ লোকসেৱা ভৱনত সাক্ষাৎ কৰে। তেওঁলোকে ৰাজ্যখনৰ মহিলাৰ কল্যাণ, সুৰক্ষা আৰু সবলীকৰণৰ সৈতে গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰে। ইয়াৰ আগেয়ে অধ্যক্ষাগৰাকীৰ নেতৃত্বত আয়োগৰ এটা দলে কালি ৰাজ্যৰ মুখ্য সচিব আৰু অসম আৰক্ষীৰ শীৰ্ষ বিষয়াৰ সৈতে মহিলাসকলৰ সুৰক্ষাজনিত বিষয় সন্দৰ্ভত আলোচনা কৰে। দলটোৱে কালি ৰাজ্যৰ মুখ্য সচিব ৰবি কোটাৰ সৈতে বৈঠকত মিলিত হৈ ৰাজ্য চৰকাৰে মহিলাসকলৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বুজ লয়। ইয়াৰ পাছতে অসম আৰক্ষীৰ সঞ্চালক প্ৰধানৰ কাৰ্যালয়ত দলটোৱে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। দলটোৱে এখন ডিজিটেলী সুৰক্ষিত আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত সচেতন সমাজ গঢ় দিয়াৰ বাবে মুকলি কৰা য়শোদা এ আই শীৰ্ষক পদক্ষেপৰ অধীনত আৰক্ষী সঞ্চালকপ্ৰধানৰ কাৰ্যালয়ত এখন কৰ্মশালাৰো আয়োজন কৰে। এই কৰ্মশালাত জনসাধাৰণৰ সুৰক্ষা আৰু ডিজিটেল অপৰাধ ৰোধ কৰাৰ ক্ষেত্ৰত কিদৰে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগ কৰিব পৰা যায় সেই বিষয়ে অৱগত কৰোৱা হয়। তেওঁলোকে অসম আৰক্ষীৰ শীৰ্ষ বিষয়াসকলৰ সৈতে ৰাজ্যখনত বাল্যবিবাহ ৰোধ, চাইবাৰ অপৰাধকে ধৰি কেইবাটাও বিষয় সন্দৰ্ভত আলোচনা কৰে। আয়োগৰ দলটোৱে মহানগৰীৰ বশিষ্ঠত কালিৰে পৰা দুদিনীয়াকৈ মহিলাসকলৰ বাবে এখন দক্ষতা বিকাশৰ কৰ্মশালাৰ আয়োজন কৰিছে। এই কৰ্মশালাত বিভিন্ন সংগঠন আৰু মহাবিদ্যালয়ৰ ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। এই কৰ্মশালাত প্ৰাকৃতিক দুৰ্যোগ আৰু অন্যান্য প্ৰত্যাহ্বানপূৰ্ণ পৰিস্থিতিত মহিলাসকলে ল'বলগীয়া সাৱধানতা আৰু পাবলগীয়া সুবিধা সম্পৰ্কে আলোচনা কৰা হয়। এই কৰ্মশালাৰ আজি সামৰণি পৰিব। এই কৰ্মশালা সম্পৰ্কে আয়োগৰ অধ্যক্ষা শ্ৰীমতী ৰাহতকাৰে এই দৰে কয়—

-বাইট-

০০০০০০০০

উত্তৰ-পূৰ্বাঞ্চলত পৰিবহণ ব্যয়, আন্তঃগাঁথনি আৰু যোগাযোগ সম্পৰ্কীয় উচ্চ পৰ্যায়ৰ কৰ্মবাহিনীৰ প্ৰথমখন বৈঠক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি গুৱাহাটীত অনুষ্ঠিত হয়। কৰ্মবাহিনীৰ সদস্য, উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, মিজোৰামৰ মুখ্যমন্ত্ৰীৰ প্ৰতিনিধি আৰু ৰাজ্যখনৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী অধ্যাপক লালনীলাৱমাইও এই বৈঠকত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লয়। তদুপৰি ছিকিমৰ মুখ্যমন্ত্ৰীৰ প্ৰতিনিধি আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চেৰিং থেণ্ডুক ভূটিয়াইও ভাৰ্চুৱেলি বৈঠকত অংশ লয়। বৈঠকত উত্তৰ-পূবৰ ৰে'ল, স্থল, জল আৰু বিমান পৰিবহণ খণ্ডত সূচনা হোৱা ব্যাপক পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰাৰ লগতে এই ক্ষেত্ৰত উন্নয়নৰ বাবে ল'বলগীয়া পদক্ষেপসমূহেও গুৰুত্ব লাভ কৰে।

০০০০০০০০

অসমৰ যুৱ চিত্ৰশিল্পী ভাস্কৰজ্যোতি গগৈলৈ তেওঁৰ নষ্টালজিক ডেষ্ট্ৰাকচন শীৰ্ষক ছবিখনৰ বাবে ৰাষ্ট্ৰীয় ললিত কলা এডাডেমী বঁটা আগবঢ়োৱা হৈছে। কালি ললিত কলা একাডেমীয়ে নতুন দিল্লীত আয়োজন কৰা ৭১ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পদ্মবিভূষণ সন্মানেৰে সন্মানিত স্বনামধন্য শিল্পী ৰামভি সূতৰে এই বঁটা প্ৰদান কৰে। কেনভাছত এক্ৰেলিক মাধ্যমত অংকন কৰা এই ছবিখন দেশৰ ২০ জন নিৰ্বাচিত শিল্পীৰ শিল্পকৰ্মৰ অন্যতম শ্ৰেষ্ঠ শিল্পকৰ্মৰূপে বিবেচিত হৈছে। ৰাষ্ট্ৰীয় ললিত কলা এডাডেমীয়ে প্ৰতি বছৰে আগবঢ়োৱা শিল্পকলাৰ এই অন্যতম শ্ৰেষ্ঠ সন্মান লাভ কৰা শ্ৰীগগৈ অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ চৰকাৰী চাৰু কাৰু কলা মহাবিদ্যালয়ৰ চিত্ৰকলা বিভাগৰ অধ্যাপক। শিৱসাগৰ জিলাৰ গেলেকীত জন্মগ্ৰহণ কৰা গগৈৰ এই সফলতাৰ বাবে ললিত কলা শিল্পী সমিতি, অসমে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০০০

হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ উদ্যোগত আজি গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত একাদশ ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন কৰা হৈছে। হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই ৰাজ্যবাসীক ৰাষ্ট্ৰীয় হস্ততাঁত দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

হস্ততাঁত খণ্ডত উল্লেখযোগ্য অৱদান আগবঢ়োৱা শিপিনীসকলক আজি সন্ত কবিৰ হস্ততাঁত বঁটা আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা প্ৰদান কৰা হ'ব। সন্ত কবিৰ বঁটাত ৩ লাখ ৫০ হাজাৰ টকা আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটাত ২ লাখ টকা প্ৰদান কৰা হ'ব। নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া একাদশ সংখ্যক হস্ততাঁত দিৱসৰ কাৰ্যসূচীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই বঁটাসমূহ প্ৰদান কৰিব। দেশৰ প্ৰায় ৬৫০ গৰাকী শিপিনী, বিদেশী ক্ৰেতা, বিশিষ্ট ব্যক্তি আৰু জ্যেষ্ঠ চৰকাৰী বিষয়াসকলে এই সমাৰোহত অংশগ্ৰহণ কৰিব। বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং, বস্ত্ৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু বস্ত্ৰ মন্ত্ৰালয়ৰ সচিব নীলম স্বামী ৰাও এই অনুষ্ঠানত উপস্থিত থাকিব।

উল্লেখযোগ্য যে ১৯০৫ চনৰ ৭ আগষ্টত আৰম্ভ হোৱা স্বদেশী আন্দোলনে থলুৱা উদ্যোগ আৰু বিশেষকৈ তাঁতশিল্পক উৎসাহিত কৰিছিল। দেশৰ আৰ্থসামাজিক উন্নয়নত হস্ততাঁত বয়ন শিল্পৰ অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি ২০১৫ চনৰ পৰা ৭ আগষ্টৰ দিনটো ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস হিচাপে পালন কৰি অহা হৈছে। দেশৰ বৈচিত্ৰময় সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক বয়ন শিল্পই গ্ৰামাঞ্চলৰ বহু লোকক আৰ্থিকভাৱে সবল কৰি তোলাত প্ৰত্যক্ষভাৱে সহায় কৰি আহিছে।

০০০০০০০০

আকাশবাণী গুৱাহাটীৰ উদ্যোগত কাইলৈ অসম ৰাজ্যিক সংগ্ৰাহলয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত আকাশবাণীৰ ৯০ বছৰীয়া বৰ্ণিল পৰিক্ৰমাক উদযাপন কৰাৰ উদ্দেশ্যে যুৱবাণী শাখাৰ দ্বাৰা বিশেষ কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছে। কাইলৈ পুৱা চাৰে ন বজাৰ পৰা "আকাশবাণীৰ ৯০

বছৰ" শীৰ্ষক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত প্ৰচাৰণ সেৱাৰ গৌৰৱোজ্জ্বল ৯০ বছৰীয়া পৰিক্ৰমা আৰু অসম তথা আমাৰ দেশৰ বিভিন্ন ঠাইত থকা আকাশবাণী কেন্দ্ৰসমূহৰ সৈতে জড়িত প্ৰশ্নাৱলী থাকিব। বিশিষ্ট কুইজ পৰিচালক দীপাংকৰ কৌশিক আৰু দিলীপ কুমাৰ শৰ্মাই এই প্ৰতিযোগিতা পৰিচালনা কৰিব। প্ৰতিটো দলত দুজনকৈ সদস্য থাকিব লাগিব। দলৰ সদস্য সকল একেখন শৈক্ষিক প্ৰতিষ্ঠান অথবা ভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰো হ'ব পাৰে। আনহাতে, কাইলৈ দুপৰীয়া ১ বজাৰ পৰা  আকাশবাণীৰ ৯০ বছৰীয়া পৰিক্ৰমা, ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু ঐতিহাসিক পৰম্পৰা,ঘটনা-পৰিঘটনাক সামৰি আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। মাধ্যম - অসমীয়া। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ শিক্ষাৰ্থীসকলে কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাত ভাগ ল'ব পাৰিব। বিজয়ীসকলক আকৰ্ষণীয়  পুৰস্কাৰ প্ৰদান কৰাৰ লগতে আকাশবাণীৰ যুৱবাণী  অনুষ্ঠানত ভাগ ল'বলৈ আমন্ত্ৰণ জনোৱা হ'ব। কাইলৈ বিয়লি ৪ বজাত, শেহতীয়াকৈ অনুষ্ঠিত আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ সংগীতৰ অডিচনত উত্তীৰ্ণ হোৱা সকলকো প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। পঞ্জীয়ন তথা সবিশেষ জানিবলৈ আকাশবাণী গুৱাহাটীৰ  ফেচবুক পেজ AIR Guwahati চাব পাৰে, অথবা আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ সৈতে যোগাযোগ কৰিব পাৰে। কাইলৈ সন্ধ্যা চাৰে পাঁচ বজাৰ পৰা নতুন প্ৰজন্মৰ ৰেডিঅ' অনুৰাগী যুৱক-যুৱতী সকলে দেশপ্ৰেমমূলক গীত, কবিতা, নৃত্যৰ এটি অনুষ্ঠান পৰিৱেশন কৰিব  বুলি আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান সমূহৰ মুৰব্বী তথা সহকাৰী সঞ্চালক কৰ্ডেলিন থ্যানখিউৱে জানিবলৈ দিছে।

oooooooo

ৰাজ্য চৰকাৰে বিদেশী ন্যায়াধীকৰণত ৰুজু হৈ থকা ৬টা ধৰ্মাৱলম্বী লোকৰ বিৰুদ্ধে গোচৰ প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দেশ জাৰি কৰাৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংসদত উত্থাপন কৰা দুখন সামুদ্ৰিক বিধেয়ক একেদিনাই গৃহীত হোৱাৰ বাতৰিটো আৰু নিয়ুঁত মইনা আঁচনিৰ শুভাৰম্ভণিৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

স্পৰ্শকাতৰ অঞ্চলত বাস কৰা অসমৰ মূল বাসিন্দা বা খিলঞ্জীয়া ভাৰতীয় নাগৰিকক অস্ত্ৰৰ অনুজ্ঞাপত্ৰ দিবৰ বাবে চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা ঘোষণাৰ বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে শুল্কযুদ্ধৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চীনত অনুষ্ঠিত এছ চি অ’ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে অহা ৩১ আগষ্টত বেইজিঙলৈ যাত্ৰা কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ভাৰতৰ বিৰুদ্ধে পুনৰ ২৫ শতাংশ অতিৰিক্ত শুল্ক আৰোপ কৰাৰ বাতৰিটো **দৈনিক জনমভূমি, দি আছাম ট্ৰিবিউন, দ্যা চেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাক্তন মুখপাত্ৰ আৰতি সাথেক বম্বে উচ্চ ন্যায়ালযৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া বাতৰিটো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিগত ৩ দিন ধৰি হোৱা নেৰা-নেপেৰা বৰষুণৰ ফলত চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ পাহাৰৰ পৰা নামি অহা পানীয়ে চিৰাং জিলাৰ বিভিন্ন ঠাইত বিস্তৰ ক্ষতি সাধন কৰা বাতৰিটোক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

oooooooo

চীনৰ চেংডুত আজিৰে পৰা ১৭ আগষ্টলৈ হ’বলগীয়া বিশ্ব গেমছ ২০২৫ত অংশগ্ৰহণ কৰিবলৈ ভাৰতৰ ১৮ জনীয়া দলটো সাজু হৈছে। ১৯৮১ চনৰ পৰা প্ৰতি চাৰি বছৰৰ মূৰে মূৰে অনুষ্ঠিত হোৱা

বিশ্ব গেমছত অলিম্পিকত অন্তৰ্ভূক্ত নোহোৱা ক্ৰীড়াসমূহ অন্তৰ্ভুক্ত কৰা হয়। এইবাৰৰ সংস্কৰণত ৩৪ বিধ খেলৰ ৬০টা ইভেণ্টত ২৫৩টা পদকৰ বাবে প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

ভাৰতে ১৯৮১ চনৰ উদ্বোধনী সংস্কৰণৰ পৰাই বিশ্ব গেমছত অংশগ্ৰহণ কৰি বৰ্তমানলৈকে মুঠ ৫টা পদক লাভ কৰিছে। য'ত এটা সোন, এটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদক আছে। দেশৰ একমাত্ৰ সোণৰ পদকটো ২০১৩ চনত আদিত্য মেহতাই বিলিয়াৰ্ডত লাভ কৰিছিল।

ভাৰতে এইবাৰ আৰ্চাৰী, বিলায়াৰ্ডছ, ৰোলাৰ্ছ স্কেটিং, উশ্বু আৰু ৰেকোৰেট বল এই পাঁচটা শিতানত অংশগ্ৰহণ কৰিব। ভাৰতীয় দলটোৱে এইবাৰ পদকৰ সংখ্যা বৃদ্ধিৰ বাবে চেষ্টা কৰিব।

০০০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০০

সমাপ্ত